# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। বিটিচি পৰিষদীয় চৰকাৰৰ নিৰ্বাচন ছেপ্তেম্বৰত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ডিমা হাছাওৰ মুপা ষ্টেচনৰ সমীপত হোৱা ভূমিস্খলনৰ বাবে কালিৰেপৰা বদৰপুৰ-লামডিং অংশৰে ৰে'ল চলাচল বন্ধ।

৩। নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে নথি পৰীক্ষণৰ তৃতীয়খন তালিকা প্ৰকাশ।

৪। ৬ জুলাই পৰ্যন্ত ৰাজ্যৰ কেইবাখনো জিলাত ধাৰাসাৰ বৰষুণৰ সম্ভাৱনা।

*আৰু*

৫। এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত।

০০০০০০০০

বি টি চি পৰিষদীয় চৰকাৰৰ সাধাৰণ নিৰ্বাচন ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব আৰু বি টি চি পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে অকলে অৱতীৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। ওদালগুৰিত কেইবাখনো বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এই কথা প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

পাঁচদিনীয়া বি টি চি ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত মুখ্যমন্ত্ৰী ডং শৰ্মাই কালি ওদালগুৰি জিলাৰ আৰৰ্তভৱনত অনুষ্ঠিত এখন বৈঠকত বিভিন্ন কল্যাণকামী আঁচনিৰ কামকাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত ড০ শৰ্মাই অৰুণোদয় আঁচনিৰ জৰিয়তে যাতে দুখীয়া জনসাধাৰণ উপকৃত হ'ব পাৰে সেয়া নিশ্চিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ লগতে আগষ্টৰ পৰা ৰূপায়িত হ'বলগীয়া মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰো পৰ্যালোচনা কৰে। আঁচনিখনৰ চূড়ান্ত তালিকা প্ৰস্তুত কৰাৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰীগৰাকীয়ে কালি বিয়লি দৰং জিলা সদৰ মঙলদৈ চহৰৰ নিকটৱৰ্তী কমাৰপাৰত স্থাপন হ'বলগীয়া প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ স্থান পৰিদৰ্শন কৰে। ভ্ৰমণকালত সাংসদ তথা ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই মুখ্যমন্ত্ৰীক সংগ দিয়ে।

ড০ শৰ্মাই আজি তামুলপুৰ, কাইলৈ বাক্সা জিলা, ৬ জুলাইত চিৰাং আৰু ৭ জুলাইত কোকৰাঝাৰ ভ্ৰমণ কৰিব। কাইলৈ বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ দলীয় কৰ্মীৰ সৈতে বিটিচি নিৰ্বাচন সম্পৰ্কত তেওঁ মত বিনিময় কৰিব।

০০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ডিমা হাছাওৰ মুপা ষ্টেচনৰ সমীপত কালি ভূমিস্খলনৰ বাবে বদৰপুৰ-লামডিং অংশৰ ৰে'লপথছোৱা বন্ধ হৈ পৰে। ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত কালি পুৱা শিলচৰৰ পৰা গুৱাহাটী অভিমুখী এক্সপ্ৰেছ ৰে'লখন আৱদ্ধ হৈ পৰাৰ লগতে ১৫৬১৬ শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, ১৩১৭৪ কাঞ্চনজংঘা

এক্সপ্ৰেছ, ১২৫২০ আগৰতলা-লোকমান্য তিলক এক্সপ্ৰেছ, ১৫৬১৮ দুৰ্লভছৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু ১৪৬১৯ আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখন বিভিন্ন ষ্টেচনত নিয়ন্ত্ৰিত কৰা হৈছে। এই সন্দৰ্ভত এয়া আমাৰ শিলচৰৰ সংবাদদাতা আঁখিৰাণী দাস-

*(বাইট ঃ আঁখিৰাণী দাস)*

oooooooo

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে নথি পৰীক্ষণৰ তৃতীয়খন তালিকা কালি প্ৰকাশ কৰে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি তালিকাত নাম অন্তৰ্ভুক্ত হোৱা প্ৰাৰ্থীসকলৰ বাবে কাইলৈৰ পৰা ১০ জুলাইলৈ খানাপাৰাৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালাত নথি পৰীক্ষণ কৰা হ'ব। প্ৰাৰ্থীসকলক যাৱতীয় শৈক্ষিক অৰ্হতাৰ প্ৰমাণপত্ৰসহ নথী পৰীক্ষণৰ বাবে উপস্থিত থাকিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা নিয়মীয়া শিক্ষক পদৰ বাবে বৰ্তমান দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ কৰি থকা হৈছে।

ooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৬ জুলাই পৰ্যন্ত ৰাজ্যৰ কেইবাখনো জিলাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি বংগোপ সাগৰৰ পৰা জলীয় বাস্পৰ প্ৰভাৱত আজিৰপৰা ৬ জুলাইলৈ ৰাজ্যৰ ঠাইবিশেষে বিজুলী ধেৰেকণিৰে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি বিভাগটোৱে প্ৰকাশ কৰিছে। আজি বৰপেটা আৰু বঙাইগাঁৱৰ কেতবোৰ ঠাইত ৭ ৰ পৰা ১১ ছেণ্টিমিটাৰৰ পৰা ১২ৰ পৰা ২০ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। একেদৰে কাইলৈ আৰু পৰহিলৈ পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ ঠাই বিশেষে বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

ইপিনে, বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই যোৱা ২৪ ঘণ্টাত শিৱসাগৰৰ বিহুবৰত ১৫, ডিব্ৰুগড়ত ১০, নাহৰকটীয়াত ৯, মৰাণহাটত ৮, তিনিচুকীয়াৰ উদয়পুৰত ৮, কাৰ্বি আংলঙৰ বকলীয়াত ৬, নাজিৰাত ৫, শোণিতপুৰৰ গেলাবিলত ৫ আৰু লাহোৱালত ৫ ছেণ্টিমিটাৰ বৰষুণ হোৱা বুলি প্ৰকাশ কৰিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীছ এনকেফেলাইটিছ প্ৰদুৰ্ভাৱ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৰোগৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। বজালী জিলাৰ বাঘমাৰা আৰু দলৌ পথাৰৰ দুজনকৈ লোক এই ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগে সদৰি কৰা অনুসৰি জিলাখনত ৫ গৰাকীকৈ লোকৰ দেহত এই ৰোগৰ লক্ষ্যণ দেখা পোৱা গৈছে। জিলাখনৰ ভিন্ন স্থানত জিলা প্ৰশাসনৰ তৰফৰ পৰা ৰোগ প্ৰতিৰোধৰ বাবে ফ'গিঙৰ লগতে অন্যান্য বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

নলবাৰী জিলাৰ গোৰাক্ষাটাৰী গাঁৱত জাপানীছ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ দ্বিপেন নাথ নামৰ এজন লোকৰ মৃত্যু হয়। জিলাখনৰ বৰক্ষেত্ৰী, মুগদি, নপ্তিপাৰা, বাকৰিকুছি, চতেমাৰি আদি ঠাইৰ লগতে কেইবাখনো গাঁৱত এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱা বুলি স্বাস্থ্য বিভাগে সদৰি কৰিছে।

0000000

সংসদৰ বৰ্ষাকালীন অধিৱেশন ২১ জুলাইত আৰম্ভ হ'ব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে এই কথা প্ৰকাশ কৰিছে। বুধবাৰে শ্ৰী ৰিজিজুৱে কয়, যে স্বাধীনতা দিৱস উদযাপনৰ বাবে ১৩ আৰু ১৪ আগষ্টত সংসদৰ অধিৱেশন অনুষ্ঠিত নহয়। ২১ আগষ্টত চলিবলগীয়া এই অধিৱেশনৰ সময়ছোৱাত আনৰিক খণ্ডত ব্যক্তিগত খণ্ডৰ প্ৰৱেশকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়কক লৈ আলোচনা হোৱাৰ সম্ভাৱনা আছে।

0000000

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিলুপ্তপ্ৰায় ৰাং কুকুৰৰ সন্ধান পোৱা গৈছে। কাৰ্বি আংলঙৰ আমগুৰি এনিমেল কৰিডৰত স্থাপন কৰা কেমেৰাত ৰাং কুকুৰৰ বিচৰণৰ দৃশ্য বন্দী হৈছে। বিগত প্ৰায় তিনি বছৰে কাজিৰঙাত ৰাং কুকুৰৰ উপস্থিতিৰ বাবে পৰ্যবেক্ষণ আৰু পৰীক্ষা-নীৰিক্ষা চলাই থকাৰ অন্তত উদ্যানখনত ৰাং কুকুৰৰ অৱস্থিতিৰ তথ্য পোৱা গৈছে। সমগ্ৰ বিশ্বত মূলতঃ দুই প্ৰকাৰৰহে ৰাং কুকুৰ পোৱা যায়। এটা প্ৰজাতিৰ ৰাং কুকুৰ এছিয়াত আৰু আনটো প্ৰজাতি দক্ষিণ আফ্ৰিকাত পোৱা যায়। কিছুদিন পূৰ্বে এগৰাকী পৰিৱেশ কৰ্মীয়ে মানস ৰাষ্ট্ৰীয় উদ্যানতো ৰাং কুকুৰৰ অৱস্থিতি লক্ষ্য কৰিছিল। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে কাজিৰঙাত ৰাং কুকুৰৰ উপস্থিতিৰ তথ্য আলোকচিত্ৰসহ প্ৰকাশ কৰে।

0000000

লখিমপুৰ জিলাত কালি পুৱাৰেপৰা চলোৱা বৃহৎ উচ্ছেদ অভিযানত ২৮৮ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়। দেবেৰা দলনি, খ্ৰীষ্টান গাঁও আৰু ফুকনৰ হাট নামৰ গাঁও তিনিখনত অসম ভূমি আৰু ৰাজহ অধিনিয়ম, ১৮৮৬-ৰ পত্ৰণ বিধিৰ অধীনত উচ্ছেদ চলোৱা হয়। অঞ্চলকেইটাত অবৈধভাৱে বসবাস কৰা ২১৮ টা পৰিয়াললৈ প্ৰশাসনে ইতিমধ্যে ২৬ জুনৰ ভিতৰতে অঞ্চলসমূহ খালী কৰি দিবলৈ জাননী জাৰি কৰিছিল যদিও দখলকাৰীসকলে প্ৰশাসনৰ জাননীৰ প্ৰতি সঁহাৰি জনোৱা নাছিল।

0000000

কেইবাদিন ধৰি হৈ থকা বৰষুণৰ ফলত অসম-নাগালেণ্ড সীমান্তৱৰ্তী গেলেকীৰ বিস্তীৰ্ণ অঞ্চল বানৰ কৱলত পৰিছে। নগা পাহাৰৰ পৰা প্ৰৱাহিত নামদাং, দৈ-খনা, দিচৈ, ডেন্সি আদি উপনৈসমূহৰ জলস্তৰ বৃদ্ধি হোৱাৰ বাবে গেলেকীৰ নচুক, নআলি, বামুণগাঁও, ৰঙাগড়া, চপৰীয়া, মৰাণগাঁও, কছাৰী, তল মৰাণগাঁও, ওপৰ নামচাই, চৰাইসজীয়া, নমাটি, কাটনিপাৰ, বনুৱা আদি অঞ্চল বানত বুৰ গৈছে। বানৰ ফলত গেলেকীৰ

এই বৃহত্তৰ অঞ্চলত খোৰাপানীকে ধৰি খাদ্য সমস্যাই দেখা দিছে। বন্যাক্ৰান্ত পৰিয়ালসমূহক সকাহ প্ৰদানৰ বাবে প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ দংকামোকামত যোৱা নিশা বিদ্যুৎস্পৃষ্ট হৈ এগৰাকী চিকিৎসকৰ মৃত্যু হয়। কালি সন্ধিয়া প্ৰবল বৰষুণ আৰু বিজুলী-ঢেৰেকনীৰ বাবে ইনভাৰ্টাৰ সংযোগ বিচ্ছিন্ন কৰিবলৈ যোৱাৰ সময়তে বিদ্যুৎ পৰিবাহী ছকেটত লাগি চিকিৎসকগৰাকীৰ থিতাতে মৃত্যু হয়। মৃত ৰূপলিন ৰংপিপি নামৰ চিকিৎসকগৰাকী ওমপানাই খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ অন্তৰ্গত অতি দুৰ্গম অঞ্চল ক্ৰকেংদাঙত সমূহীয়া চিকিৎসা বিষয়া হিচাপে কৰ্মৰত আছিল।

ইপিনে কালি বিজুলী-ঢেৰেকনীত বৈথালাংছোৰ পুঞ্জা গাঁৱৰ ভালেকইগৰাকী লোক গুৰুতৰভাৱে আহত হোৱা বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনাইছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

NP REVIEW

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত বাৰ্মিংহামত বেটিং বিক্ৰমেৰে অধিনায়ক শুভমনৰ অভিলেখ, নিৰ্বাচনলৈ কঁকালত টঙালী বান্ধিছে কংগ্ৰেছে, লখিমপুৰৰ তিনি স্থানত প্ৰশাসনৰ বৃহত উচ্ছেদ অভিযান, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক ঘানাৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান প্ৰদান, কোকৰাঝাৰত পংকজ পাঠকৰ শিবিৰত অথন্তৰ, ওদালগুৰিৰ পৰা আৰম্ভ মিছন বি টি আৰ-দলীয় কাৰ্যকৰ্তা সন্মিলনত মুখ্যমন্ত্ৰী আদি বাতৰিয়ে প্ৰথমপৃষ্ঠাত শিৰোনাম দখল কৰিছে। গেলেকী সংৰক্ষিত বনাঞ্চল আৰু হাইলাকান্দিৰ ডামচেৰা সংৰক্ষিত বনাঞ্চলত বন আইন উলংঘন কৰি নিৰ্মাণকাৰ্যৰ অনুমতি প্ৰদান কৰা প্ৰাক্তন প্ৰধান মুখ্য বন সংৰক্ষক তথা বন বাহিনীৰ মুৰব্বী এম কে যাদৱৰ বিৰুদ্ধে আইনী ব্যৱস্থা লবলৈ কেন্দ্ৰই অসমৰ প্ৰধান মুখ্য বন সংৰক্ষকক নিৰ্দেশ প্ৰদান কৰিছে। এই বাতৰিটোক THE ASSAM TRIBUNE কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে। **দৈনিক অগ্ৰদূত** কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম- *মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বন বিভাগৰ বিশেষ সচিব এম কে যাদৱৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ কেন্দ্ৰৰ, বন আইন উলংঘাৰে গেলেকী-দামচেৰা বনাঞ্চলত কমাণ্ড*

*বেটেলিয়নৰ শিবিৰ স্থাপনৰ অনুমতি*। লখিমপুৰত কালি জিলা প্ৰশাসনে ২৮৮বিঘা ভূমিত অবৈধভাৱে নিৰ্মাণ কৰা ২১৮টা বাসগৃহ উচ্ছেদ কৰা বাতৰিটোৱে **THE TIMES OF INDIA**কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। জিলাখনত চলা এই উচ্ছেদ অভিযানৰ পাছতে বিভিন্ন পক্ষই প্ৰতিক্ৰিয়া প্ৰকাশ কৰা এটা বাতৰি **দৈনিক অগ্ৰদূত আৰু দৈনিক অসম** কাকতত প্ৰকাশ কৰা হৈছে। অপাৰেচন সিন্দুৰৰ পিচত অত্যাধুনিক সমৰাস্ত্ৰ ক্ৰয়ৰ বাবে প্ৰায় এক লাখ কোটি টকা ব্যয়ত কেন্দ্ৰই অনুমোদন জনোৱা এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে পৰিৱেশন কৰিছে। গুৱাহাটীৰ খাৰঘুলিত বন্দনা দাস নামৰ এগৰাকী বৃদ্ধাক হত্যাৰ অপৰাধত ঘৰুৱা সহায়ক ৰাতুল দাসক লতাশিল আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰা বাতৰিটো অনান্য কাকতসমূহৰ লগতে **আমাৰ অসম আৰু নিয়মীয়া বাৰ্তা** কাকতে প্ৰথমপৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ দ্বিতীয় দিনটোত ভাৰত শক্তিশালী স্থিতিত আছে| কালিৰ খেলৰ সামৰণিত ইংলেণ্ডে ভাৰতৰ প্ৰথম ইনিংছৰ ৫৮৭ ৰাণৰ প্ৰত্যুত্তৰত তিনি উইকেটৰ বিনিময়ত ৭৭ ৰাণ সংগ্ৰহ কৰে| ঘৰুৱা দলটো ফ'ল' অনৰ পৰা হাত সাৰিবলৈ এতিয়াও আৰু ৩০৯ ৰাণৰ প্ৰয়োজন আছে| ভাৰতে কালি অধিনায়ক শুভমন গিলৰ দ্বি-শতৰাণৰ সহায়ত প্ৰথম ইনিংছত ৫৮৭ ৰাণৰ বিশাল স্কৰ কৰিবলৈ সমৰ্থ হয়| গিলে ২৬৯ ৰাণ কৰি অধিনায়ক হিচাপে টেষ্ট ক্ৰিকেটত সৰ্বাধিক ৰাণ সংগ্ৰহৰ অভিলেখ স্থাপন কৰে| ইয়াৰ আগতে বিৰাট কোহলীয়ে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ২০১৯ চনত কৰা ২৫৪ ৰাণৰ অভিলেখ কালি শুভমন গিলে ভংগ কৰে| ভাৰতৰ হৈ ৰবীন্দ্ৰ জাডেজাই ৮৯ আৰু ৱাশ্বিংটন সুন্দৰে ৪২ ৰাণৰ বৰঙণি আগবঢ়ায়| প্ৰত্যুত্তৰত ইংলেণ্ডে আকাশদীপৰ নিখুঁত ব'লিঙৰ বাবে বিপৰ্যয়ৰ সন্মুখীন হয়| আকশদীপে বে'ন ডাকেট আৰু অ'লী পোপক শূণ্য ৰাণতে পেভিলিয়নলৈ ঘূৰাই পঠিয়াই| ক্ৰাউলিৰ উইকেট মহম্মদ চিৰাজে লাভ কৰে| দিনান্তত জ' ৰুটে ১৮ ৰাণ কৰি আৰু হেৰী ব্ৰুকে ৩০ ৰাণ কৰি বেট ধৰি আছে|

০০০০০০০

**সমাপ্ত**